# যান্ত্রিক বিজ্ঞান

যান্ত্রিক বিজ্ঞান – এক আচৰিত শব্দ। বিজ্ঞান আৰু যান্ত্রিকতাৰ মাজত নো আকৌ কি সম্পর্ক ! হয়, এক অদ্ভূত সম্পর্ক। বর্তমানৰ যান্ত্রিকতাৰে ভৰা সমাজ খন বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতাও যান্ত্রিক হৈ পৰিছে। দৈনন্দিন জীৱনত প্রায় সকলোখিনি কাম বিজ্ঞানৰ উদ্ভাৱনৰ ফলতেই কৰিবলৈ সক্ষম হোৱা ব্যক্তি এজনেও সমস্যাৰে জর্জৰিত হোৱা সময়ত আঙুলিত আঙুঠি পিন্ধিবলৈ লয়। বিশ্ব কৰ্মা পূজাৰ দিনা ভাৰতৰ বহু আগ শাৰীৰ প্ৰতিস্থানেও মেচিনত ফোঁট দিয়ে। চাবলৈ গ'লে এইয়া কোনো ডাঙৰ কথা নহয়, মানুহৰ বিশ্বাসৰ ফলত সৃষ্টি হোৱা সাধাৰণ নিয়ম বা কৰ্ম কিছুমান হে। কিন্তু আমি যেতিয়াই গভীৰতাৰ ভাবি চাবলৈ লও তেতিয়াই সমস্যা আহি পৰে। বিজ্ঞানেৰে বেঢ়ি ৰখা সমাজ খনত আমি যদি বিজ্ঞানকেই সময় নিদিও, তেনেহ'লে এই ইমান খিনি অৱদান অর্থহীন হৈ পৰে। অন্য জন্তুৰ পৰা পৃথক হৈ সামাজিক ভাবে বসবাস কৰি আজি মহাকাশ চুব পৰা হোৱা লৈকে এই বিজ্ঞানৰ কিমান ভূমিকা আছে সেইয়া আমি প্ৰতি পলে অনুভৱ নকৰিলেও সকলোৱে জানো।

তথাপিও বর্তমান সমাজ খনত বিজ্ঞানৰ যেন এক যান্ত্রিক ব্যৱহাৰ হৈছে – শৈক্ষিক দিশৰ পৰাই প্ৰথমে যদি চোৱা যায়, বিজ্ঞান সৰুৰে পৰা পঢ়িবলৈ এটি বিষয় হিচাপে দিয়া হয়। সৰুতেই সেই বিজ্ঞানৰ আদিপাঠ দিয়া শিক্ষক গৰাকীৰ ওপৰতেই এজন ছাত্ৰই ভৱিষ্যতে বিজ্ঞান শব্দ টো কিমান ভাল পাব সেইয়া নির্ভৰ কৰে। কিন্তু বর্তমানে মাক দেউতাককে ধৰি বহু খিনি শিক্ষকেই এই বিষয় টোক মনোগ্ৰাহী কৰাৰ সলনি নম্বৰ কেন্দ্ৰিক কৰি তুলিবলৈ যত্ন কৰে। আৰু তাৰেই ফলস্বৰূপে লাহে লাহে বয়স বাঢ়ি অহাৰ লগে লগে বহুতৰে কথা বোৰক এক বৈজ্ঞানিক মানসিকতাৰে ভাবি চোৱাৰ অৱকাশ নোহোৱা হয়। বিজ্ঞান যেন এক যন্ত্ৰ – বর্তমান সমাজত জীয়াই থকাৰ। এইয়া এক সৰু উদাহৰণ হে। শুই উঠাৰ পৰা ৰাতি বিচনাত পৰা লৈকে এনে বহু ধৰণৰ ঘটনাৰ আমি সন্মুখীন হও। কিন্তু সেই ঘটনা খিনিক আমি এক বৈজ্ঞানিক চিন্তাধাৰাৰে জুকিয়াই চোৱাৰ যত্ন নকৰো।

সমাজত বিভিন্ন সময়ত বিভিন্ন জনৰ পৰা শুনিবলৈ পোৱা যায় – 'কিনো বিজ্ঞানৰ কথা কম, বুজিয়েই চোন নাপাও', কথা টো কিন্তু তেনে নহয়। এজন ব্যক্তিৰ বৈজ্ঞানিক মানসিকতা থাকিবলৈ হ'লে তেওঁৰ বিজ্ঞানৰ টান কথা খিনি বুজিব লাগিব তেনে কেতিয়াও নহয়। বৈজ্ঞানিক দৃষ্টিভংগী ৰে চাবৰ বাবে নিউটনৰ সূত্ৰৰ বিষয়ে নাজানিলেও হয়। আচলতে আমাৰ প্ৰধান সমস্যাই হৈছে বৈজ্ঞানিক দৃষ্টিভংগী নো কি সেইটোতেখেলি মেলি কৰা। অথচ আচৰিত কথা টো হ'ল এই বৈজ্ঞানিক মানসিকতাৰ প্ৰথম অংকুৰণ হয়তো আমাৰ ভাৰততেই হৈছিল। সেই তাহানিৰ যুগতে বৌদ্ধিক ভাবে বিকসিত হোৱা

ভাৰততেই মহামুনি ঋষি সকলে যি সমূহ তত্ব গধূৰ কিতাপ লিখি গৈছিল সেই সকলো খিনিকেই এডাল সূতাই এক কৰি ৰাখিছিল – সমাজত বৈজ্ঞানিক চিন্তাধাৰাৰ বীজ অংকুৰিত কৰা। কথা বোৰ , কাম বোৰ, বস্তু বোৰ কৰাৰ আগত ফহিয়াঁই চোৱা। সেই তেতিয়াই বহু খিনি কথা নিয়মৰ আকাৰে লিখি থৈ আমাক এক উন্নত জীৱন জাপনৰ আহিলা প্ৰদান কৰিছিল। কিন্তু সময়ৰ সোতত নিয়ম বহু খিনি সলনি হ'ল – ব্যক্তিগত লাভা লাভৰ বাবে। আন নালাগে অসম খনক আজিৰ ৰূপ দিয়াৰ মূলতে থকা গুৰু জনাইও আমাক এক বৈজ্ঞানিক মানসিকতাৰে জীৱন যাপন কৰিবলৈয়ে শিকাই গৈছিল। আৰু তেনে এখন দেশৰ এনে এখন ৰাজ্যৰ আমি বাসিন্দা হৈও আজি পৰ্য্যন্ত দৃঢ়তাৰে কব নোৱাৰো যে হোৱাই নোহোৱাই কোনোবা ভণ্ডই আঙুঠি পিন্ধিবলৈ কলে বুলিয়েই নিপিন্ধাকৈ থাকিব পাৰো বুলি। ভাৰতৰ কথা নকওয়েই, অসমতেই এনে কেইখন শিক্ষানুস্থান আছে, য'ত বিশ্বকৰ্মা পূজাৰ দিনা মেচিনত ফোঁট নলগোৱাকৈ থাকে ? এনে কেইজন ব্যক্তি আছে, যি সকলে কব পাৰে আজি লৈকে মই এদিনো কোনো ভণ্ড বাবাজীৰ সৰণাপন্ন হোৱা নাই ? বিচাৰিলে নোলোৱা নহয়, কিন্তু তেনে লোকৰ সংখ্যা আঙুলিৰ মূৰত গণিব পৰা। জীৱনত অলপ কিবা সমস্যাই দেখা দিলেই আমাৰ মনটো দূৰ্বল হৈ পৰে, আৰু আমি বিভিন্ন এনে ধৰণৰ উপায়ৰ শৰণাপন্ন হও। কোৱা বাহুল্য সেই উপায় বোৰে আমাৰ সমস্যা সমাধান নকৰে, মাথো আমাৰ দূৰ্বল কোঙা হৈ পৰা মনটোক মিছা সান্তনা দিয়ে। তেনেহ'লে আমি কি কৰা উচিত?

আমি কথা খিনি, ঘটনা খিনি যুক্তিৰে চালি জাৰি চাই সমস্যা সমাধানৰ বাবে যত্ন কৰিব লাগে। আমি জানো কাৰণ নোহোৱাকৈ শূণ্যতে জুই নজ্বলে বুলি, কিন্তু তথাপিও আমি যেতিয়া এক দূৰ্বল মন লৈ সমস্যাৰে জৰ্জৰিত হোৱা মনটো লৈ এনে ধৰণৰ কাম কোনো বাবাজীয়ে কৰা দেখা পাওঁ, সহজে বিশ্বাস কৰি লওঁ। কিন্তু অকনমান চালি জাৰি চালেই ওলাই পৰে যে সাধাৰণ কাৰবাইডৰ টুকুৰা এটা লৈ য়ে এনে ধৰণৰ যাদু দেখুৱাব আমিও পৰা হৈ যাম। আমি সৰুৰে পৰা ভীষ্ম পিতামহৰ শৰশৰ্য্যাৰ বিষয়ে শুনি আহিছো, অথচ সকলোৱে নৱম মান শ্ৰেণীতে বিজ্ঞানত পোৱা বল আৰু চাপৰ মাজৰ সম্পৰ্ক টোৰ বাবেই যে এনে ধৰণৰ অলৌকিক ঘটনা সম্ভৱ পৰ হৈ উঠে সেইয়া ভাবিবলৈ একো উৱাদিহ নাপাও। অথচ অলপ মান সুক্ষ্ম দৃষ্টিৰে পৰ্য্যবেক্ষণ কৰিলেই এনে ধৰণৰ হাজাৰ হাজাৰ অলৌকিক ঘটনাৰ মাজত লুকাই থকা উৰহীৰ ওৰ যে দেখিবলৈ পাম, সেইয়া আমাৰ বৰ্তমানৰ সমস্যাৰে জৰ্জৰিত হোৱা দূৰ্বল মনটোৱে বুজি নাপাও। এই ঘটনাৰে সুযোগ লৈ কিমান মানুহ ধনী হৈ গৈ আছে ভাবি চালে ভয় লাগে। সম্পূৰ্ণ দেশ খনৰ কথা নোকোৱাকেই যদি আমি কেৱল আমাৰ অসম খনৰ কথাই কও, তেতিয়াও হাজাৰ হাজাৰ এনে ভণ্ড মানুহ দেখিবলৈ পাম। অলপমান আমি শিক্ষিত সমাজে এনে ধৰণৰ ঘটনাত যদি চকু ফুৰাও, তেতিয়াও এনে ধৰণৰ সমস্যা লাহে লাহে কমিব। অথচ আমি কি কৰো? নিজেও আচৰিত হৈ চাও, নিউজ চেনেলেও বাৰে বাৰে সেই অমূলক ঘটনা বোৰ

দেখুৱাই TRP ৰ বাবেই। কিমান শিক্ষিত ব্যক্তিৰ হাততে অঙুলিত কিমান যে আঙুঠি ! আচৰিত লাগে, সৌ সিদিনাৰ কথা, তিনিচুকীয়াৰ এখন গাঁৱত মহাকাশৰ পৰা আহি পৰা শিলৰ টুকুৰা এটা উদ্ধাৰ কৰিবলৈ যাওতেই প্ৰণৱ জ্যোতি চেতিয়া ডাঙৰীয়াৰ কিমান কষ্ট হৈছিল। কিয় জানে নে? মানুহক সেই উল্কাপিণ্ড টো পূজা কৰিবলৈ লাগে – ৩ বছৰো হোৱা নাই এই ঘটনাৰ। অথচ, আমিয়েই চোন বৰ্তমানৰ শিক্ষিত সমাজ।

এনে ধৰণৰ যুক্তিহীন চিন্তা আৰু কৰ্ম খিনি আমাৰ সমাজৰ পৰা আঁতৰ কৰোৱাটো এক ভয়ংকৰ নৈতিক সমস্যা হিচাপে আমাৰ আগত আজি দেখা দিছেহি। আমাৰ সকলোৰে কৰণীয় এই ক্ষেত্ৰত বহুত খিনি আছে। এজন সাধাৰণ নাগৰিক হিচাপে নিজে আৰু পৰিয়ালৰ সদস্য সকলেও যাতে এনে ধৰণৰ কুকৰ্মৰ পৰা বিৰত থাকো সেয়াই যথেষ্ট। নিউজ চেনেল, বাতৰি কাকত সমূহেও যদি হোৱাই নোহোৱাই সত্যতা নিৰূপন নকৰাকৈয়ে বাতৰি দিয়াৰ সলনি সচাঁকৈয়ে সমাজৰ বাবে, সমাজ খনক এক বৈজ্ঞানিক চিন্তা ধাৰাৰে আগুৱাই লৈ যাবলৈ যত্ন কৰে, বিজ্ঞানৰ হকে, বৈজ্ঞানিক চিন্তাধাৰাৰ প্ৰচাৰৰ হকে কাম কৰি থকা আঙুলিৰ মূৰত গণিব পৰা ব্যক্তি সকলক সমাজত সকলোৰে আগলৈ আনিবলৈ যত্ন কৰে, তেতিয়া হলে আমাৰ অসম খনো এদিনাখন বৈজ্ঞানিক মনস্কতাৰে পৰিপূৰ্ণ শিক্ষিত সমাজলৈ ৰূপান্তৰিত হব। এনে দৰে প্ৰতি জন সচেতন ব্যক্তিয়েই যদি জীৱন টো আগুৱাই নিবলৈ লয়, তেন্তে বাবাজী, ভণ্ডামী, ভালৰ নামত বিজ্ঞানক লৈ বিজ্ঞানৰে নামত কৰা অভদ্ৰামী সকলো খিনি লাহে লাহে লুপ্ত হৈ এখন সৰ্বাংগ সুন্দৰ শিক্ষিত সমাজলৈ আমাৰ সমাজ খনো উত্তীৰ্ণ হব। নহলে আমি যে বিজ্ঞানেই দিয়া যান্ত্ৰিকতাৰ মাজত নিজে লুপ্ত হৈ, নিজক চিনিবলৈ পাহৰিম, সি ধুৰূপ।

সমাজত বৈজ্ঞানিক মানসিকতাৰ পৰিসৰ বৃদ্ধি কৰাৰ উদ্দেশ্য সন্মুখত ৰাখিয়েই এই scientifictemperament.in । ৰঙালী বিহুৰ মাজতেই আমি এই ৱেবচাইত প্ৰথম বাৰৰ বাবে আপোনালোকৰ মাজলৈ লৈ আনিছো এক নতুন দিগন্ত – বৈজ্ঞানিক চিন্তাৰে পৰিপূৰ্ন ৰঙীন দিগন্ত সূচনাৰ বাবে। আশা কৰো আপোনালোকে এই প্ৰচেষ্টাক আকোৱালী লৈ আমাৰ সৈতে একেলগে এক সোণোৱালী ভৱিষ্যতৰ দিশে আগ বাঢ়িবলৈ পৰিপক্ক হব।

অসমীয়া বাপতি সাহোন ৰঙালী বিহু আৰু নতুন বছৰৰ হিয়াভৰা শুভেচ্ছাৰে…